
# নতুন ইতিহাসবাদ আৰু ইয়াৰ প্ৰাসংগিকতা



জুৰি দত্ত

সাহিত্যৰ সমালোচনা আৰু সাহিত্যতত্ত্ব— দুয়োটাই সাম্প্ৰতিক সময়ৰ গুৰুত্বপূৰ্ণ বিষয়। গ্ৰীক দাৰ্শনিক পণ্ডিত এৰিষ্ট'টল, প্লেটোৰ যুগৰ পৰাই অতিসাম্প্ৰতিক যুগৰ উত্তৰ-ঔপনিৱেশিকতাবাদী সমালোচনালৈকে যুগে যুগে সাহিত্য, দৰ্শন, জীৱন আৰু জগত সম্পৰ্কীয় চিন্তাৰ বিভিন্ন ধৰণৰ বিশ্লেষণ হৈ আহিছে। এই ধৰণৰ বিশ্লেষণক ভেটি কৰিয়েই গঢ়ি উঠিছে বিভিন্ন তত্ত্ব আৰু পদ্ধতি। এনে ধৰণৰ সমালোচনা তত্ত্ব আৰু মতবাদবোৰৰ বিষয়ে এটা অতি তাৎপৰ্যপূৰ্ণ কথা ক'ব পাৰি যে একোটা সময়ত সৰ্বাধিক গ্ৰহণযোগ্য আৰু সত্য বুলি গৃহীত একোটা চিন্তাধাৰা বা মতাদৰ্শক ইয়াৰ পাছৰ সময়খিনিত অসত্য আৰু অগ্ৰহণীয় ৰূপতো ব্যাখ্যা কৰা হয়। সমালোচনা সাহিত্যৰ পিতৃপুৰুষ গ্ৰীক দাৰ্শনিক প্লেটো আৰু তেওঁৰ 'কাল্পনিক ৰাষ্ট্ৰ'ৰ ধাৰণাত কবি আৰু কবিতাৰ স্থান নাছিল। প্লেটোৱে বিশ্বাস কৰিছিল যে কবিতা মিথ্যা আৰু সৰল চিন্তাধাৰাৰ পৰিচায়ক— যি মানৱ জাতিৰ বাবে অনিষ্টকাৰক। আনহাতে প্লেটোৰ শিষ্য-দাৰ্শনিক, পণ্ডিত এৰিষ্ট'টলৰ মতে কবিতা বা যিকোনো কাল্পনিক সাহিত্যই হৈছে সুগভীৰ চিন্তাৰ পৰিচায়ক এক প্ৰয়োজনীয় সত্য। সমালোচনা তত্ত্বৰ আৰম্ভণিৰে পৰা এইদৰে একো একোটা ধাৰণা বা মতবাদৰ বিৰোধ, বিশ্লেষণ আৰু পৰিশোধন হৈ আহিছে। উল্লেখযোগ্য কথা এয়ে যে এটা নিৰ্দিষ্ট সময়ত এটা মতাদৰ্শই যেতিয়া ব্যাপ্তি আৰু প্ৰচাৰৰ তুংগত উঠে, তেতিয়াই জন্ম হয় ঠিক তাৰ বিপৰীতমুখী ধ্যান-ধাৰণাৰে আন এক মতাদৰ্শ। সাহিত্য সমালোচনা আৰু তত্ত্বৰ ক্ষেত্ৰখনত সততে দেখিবলৈ পোৱা যায় এনে ধৰণৰ সম্পূৰ্ণ বিপৰীতমুখী মতাদৰ্শৰ উত্থান।

কুৰি শতিকাৰ চল্লিছৰ পৰা ষাঠিৰ দশকত সমালোচনাতত্ত্বৰ পথাৰত বিশেষ ঠাই অধিকাৰ কৰিছিল নতুন সমালোচনাই (New Criticism)। নতুন সমালোচনাৰ মূল কথা হ'ল ই সাহিত্যৰ সামাজিক প্ৰসংগ আৰু সাহিত্যিকৰ জীৱনক সাহিত্যকৰ্মৰ বিশ্লেষণত সম্পূৰ্ণৰূপে অৱজ্ঞা কৰে। একোটা পাঠ অৰ্থাৎ একো একোটা কবিতা, গল্প, এখন উপন্যাস, নাটক বা যিকোনো সাহিত্যকৰ্ম নিজেই সম্পূৰ্ণ আৰু সেয়ে ইয়াৰ বিশ্লেষণৰ বাবে সামাজিক পৰিৱেশ, সাহিত্য সৃষ্টিৰ সময়, সাহিত্যিকৰ জীৱন আৰু দৰ্শন বা আন যিকোনো বাহ্যিক প্ৰভাৱৰ ভূমিকা তাৎপৰ্যহীন। নতুন সমালোচনাই গুৰুত্ব দিয়ে মূল সাহিত্যকৰ্মক। সেয়ে ইয়াৰ মূল নীতি মূলতে শাব্দিক। শব্দ, চিত্ৰকল্প,

প্ৰতীক, ৰূপক আদিৰ সূক্ষ্ম বিশ্লেষণেৰে নতুন সমালোচনাই সাহিত্যকৰ্ম অধ্যয়ন কৰে।

নতুন সমালোচনাৰ 'সাহিত্যকৰ্মৰ স্বয়ংসম্পূৰ্ণতা'ৰ ধাৰণাক সম্পূৰ্ণৰূপে মষিমূৰ কৰি ইয়াৰ ঠিক পিছৰ সময়ছোৱাত জন্ম হৈছিল 'নতুন ইতিহাসবাদী' ধাৰণাৰ। নতুন ইতিহাসবাদী ধাৰণাই একোটা সময়ৰ সৃষ্টি, সাহিত্য আৰু সেই সময়ৰ সংস্কৃতিৰ মাজত এক ওতপ্ৰোত সম্পৰ্ক প্ৰত্যক্ষ কৰে। একোটা পাঠ (Text)ক অৰ্থাৎ একো একোটা সাহিত্যকৰ্মক স্বয়ংসম্পূৰ্ণৰূপে অকলশৰীয়াকৈ আলোচনা কৰাৰ বিপৰীতে ই সেই পাঠৰ উৎপাদন অৰ্থাৎ সৃষ্টিক প্ৰভাৱিত কৰা ঐতিহাসিক আৰু সাংস্কৃতিক অৱস্থা/চৰ্ত (condition)বোৰৰ পাঠৰ আলোচনাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰে।

নতুন ইতিহাসবাদৰ ভেটিটো গঢ় লৈ উঠিছে ইতিহাসৰ এক নতুন মূল্যায়নৰ ধাৰণাত। এই ধাৰণা মতে ইতিহাস কোনো সুনিৰ্দিষ্ট নিৰপেক্ষ ঘটনা বা ঘটনাক্ৰমৰ বিন্যাস নহয়। ইয়াৰ বিপৰীতে যি সাহিত্যকৰ্মৰ সৈতে ইতিহাসৰ আন্তঃক্ৰিয়া (interaction) চলি থাকে, সেই সাহিত্যকৰ্মৰ দৰে ইতিহাসে বিশ্লেষণযোগ্য। ইতিহাস ব্যাখ্যাৰ অতীত নহয়। সাহিত্যিক অথবা ঐতিহাসিক যিকোনো পাঠেই এনে এক বাক্‌স্ৰোত (discourse) যি আপাততঃ বাহ্যিক সত্য (external reality) প্ৰতিফলন কৰা যেন লাগিলেও মূলতঃ প্ৰতিটো পাঠেই কিছুমান উপস্থাপনৰ সমষ্টি মাথোঁ। অৰ্থাৎ এইবোৰ হৈছে একোটা নিৰ্দিষ্ট সময়ৰ সাংস্কৃতিক নিৰ্মাণ নতুন ভাবাদৰ্শগত উৎপাদকৰ বাচিক গঠন।

> A text whether literary on historical, is a discourse which, although it may seem to present, or reflect an external reality, in fact consists of what are called 'representations'- that is verbal formulations which are the ideological products' on 'cultural constructs' of a particular era. (১৯৯৩ঃ২৪৯)

পাঠে কেৱল সামাজিক বাস্তৱতাক প্ৰতিফলন নকৰে, বৰঞ্চ ই সেই বাস্তৱতাৰ সৃষ্টিও কৰে।

সমালোচক-পণ্ডিত হীৰেন গোহাঁইদেৱে তেখেতৰ 'নতুন সমালোচনাৰ যৱনিকা' শীৰ্ষক প্ৰবন্ধটোত উল্লেখ কৰা এযাৰ বাক্যই নতুন ইতিহাসবাদী চিন্তাৰ ক্ষেত্ৰত এক স্পষ্ট খোজৰ ইংগিত বহন কৰে। তেখেতে কৈছে—

> পাঠকৰ মানসিক গঠনৰ সাঁচ তৈয়াৰ হয় ইতিহাসৰ গতিত। ইতিহাসে একোটা পাঠৰ ৰূপ নিৰ্ধাৰণত প্ৰভাৱ পেলায়। একোটা কবিতাৰ অৰ্থ সৃষ্টি হ'বৰ সময়তো ইতিহাসৰ প্ৰভাৱ থাকে। সেইবোৰ সমূলি বাদ দিও কবিতাটো পঢ়িব পাৰি হয়তো। কিন্তু তেতিয়া কবিতাটো এক বিমূৰ্ত শব্দঝংকাৰ বা শব্দৰ এক বিচিত্ৰ লীলাতে আবদ্ধ হৈ যায়। পাঠকে কবিতাত তাতে সন্তুষ্ট নহয়, তেওঁ বিচাৰে জীৱনবোধৰ প্ৰকাশ। আৰু জীৱনবোধ লেখকৰ হওক, পাঠকৰ হওক— ইতিহাসৰ উৰ্ধ্বত নহয়। (১৯৯৩ ঃ ৭৮-৭৯)

নতুন ইতিহাসবাদী ধাৰণাত বিশ্বাসী দাৰ্শনিকসকলে নতুন সমালোচনাৰ ৰূপকল্পবাদ, ইয়াৰ সৈতে জড়িত সাহিত্যৰ, কাব্যৰ স্বয়ংসম্পূৰ্ণতা আৰু সকলো সাহিত্যই কেৱল শব্দ, চিত্ৰকল্প, প্ৰতীক বুলি বিবেচনা কৰা ধাৰণাৰ বিৰোধিতা কৰে। নতুন সমালোচনাৰ ধাৰণাত এক শক্তিশালী অনৈতিহাসিক পক্ষপাতিত্ব অনুভূত হয়। নতুন সমালোচনাৰ সমৰ্থকসকলে পাঠৰ ঐতিহাসিক প্ৰসংগক আওকাণ কৰাৰ বিপৰীতে নতুন ইতিহাসবাদীসকলে সাহিত্যিক পাঠৰ গুৰুত্ব উপলব্ধি কৰিও প্ৰতিটো পাঠক ইতিহাসৰ দৃষ্টিৰে ব্যাখ্যা কৰি চায়।

নতুন ইতিহাসবাদৰ মূল চিন্তাচৰ্চাই কেইটামান উল্লেখযোগ্য কথা সামৰি লৈছে। প্ৰথমতেই, এই চিন্তাত বিশ্বাসীসকলে মত পোষণ কৰে যে একো একোটা সাহিত্যিক পাঠধৰ্মীয়, দাৰ্শনিক, ন্যায়িক, বৈজ্ঞানিক আদি বিভিন্ন বেলেগ বেলেগ পাঠৰ মাজৰ এক পাঠহে মাথোন আৰু এই সকলোবোৰ পাঠেই ইয়াৰ সৃষ্টিৰ সময়, পৰিস্থিতি আৰু নিৰ্দিষ্ট অৱস্থাৰ ওপৰত নিৰ্ভৰশীল।

সেয়ে নান্দনিকভাৱে স্বয়ংসম্পূৰ্ণ পাঠৰ গোটেই ধাৰণাটোৱেই হৈছে এক পুৰাকথা (myth)। তৃতীয়তে, বুৰঞ্জী বা ইতিহাস কোনো সমসাত্তিক, সুস্থিৰ তথ্য আৰু ঘটনাৰ চানেকি নহয়, যাক কোনো এক বিশেষ সময়ৰ সাহিত্যৰ বিশ্লেষণৰ পটভূমিৰূপে ব্যৱহাৰ কৰিব পাৰি নাইবা যাক সাহিত্যই সহজে প্ৰতিফলিত কৰে বুলি ক'ব পাৰি। আচলতে নতুন ইতিহাসবাদীসকলে ইতিহাসক তেওঁলোকৰ পূৰ্বসূৰীসকলতকৈ অধিক বহল দৃষ্টিৰে অৱলোকন কৰিছে। পূৰ্বৰ ইতিহাসবাদী সমালোচনাই একোটা সৃষ্টিয়ে কিদৰে একোটা সময়ক প্ৰতিফলিত কৰে সেয়া বিশ্লেষণ কৰে। কিন্তু নতুন ইতিহাসবাদে কেনেকৈ একো একোটা পাঠ অথবা সৃষ্টি ইয়াৰ সৃষ্টিৰ সময়ৰ দ্বাৰা প্ৰভাৱিত, সেয়া মূল্যায়ন কৰে। সেই সামাজিক স্থিতি, যি লেখকক পৰিচালিত কৰিব পাৰে অথবা লেখকৰ সামাজিক, মানসিক পটভূমি আৰু লেখকক প্ৰভাৱিত কৰা কিতাপ অথবা তত্ত্ব-দৰ্শন, মূলতঃ সৃষ্টিকৰ্মক প্ৰভাৱিত কৰিব পৰা যিকোনো কাৰকৰ বিশ্লেষণও একোটা সৃষ্টিকৰ্মৰ সফল মূল্যায়ন বাবে প্ৰয়োজনীয় বুলি নতুন ইতিহাসবাদে দাবী কৰে। হীৰেন গোহাঁইৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আলোচনাৰ প্ৰসংগত তেখেতৰ বামপন্থী ভাবধাৰাৰ প্ৰভাৱ নিশ্চয় সুস্পষ্ট। সেইদৰে হেমচন্দ্ৰ বৰুৱাৰ *কানীয়াৰ কীৰ্ত্তন* আৰু গুণাভিৰাম বৰুৱাৰ *ৰাম-নৱমী*ৰ বিশ্লেষণৰ সময়ত লেখক দুজনৰ ব্যক্তিগত জীৱন আৰু জীৱনাদৰ্শক নিশ্চয়েই উলাই কৰিব নোৱাৰি। একেদৰেই আঙুলিয়াব পাৰি গোহাঁইদেৱৰ জ্যোতিপ্ৰসাদৰ 'সুন্দৰ কোঁৱ'ৰ চৰিত্ৰটোৰ বিশ্লেষণলৈ। ড° গোহাঁইৰ মতে জ্যোতিপ্ৰসাদ "এক অনৈতিহাসিক আৰু প্ৰাণহীন সুন্দৰৰ আপোনভোলা উপাসক নহয় যে জনগণ সেই আৰতিৰ মূক স্তব্ধ দৰ্শক"। তাৰ বিপৰীতে তেওঁ লক্ষ্য কৰিছিল জ্যোতিপ্ৰসাদৰ চিন্তাত, তেওঁৰ লিখনীত এক সংগ্ৰামী গণতান্ত্ৰিক বিচাৰৰ লক্ষ্য (১৯৯৩ ঃ ২৩০)। জ্যোতিপ্ৰসাদৰ চিন্তা আৰু আদৰ্শৰ এনে মূল্যায়ন মাৰ্ক্সবাদী চিন্তাপুষ্ট গোহাঁইদেৱৰ দ্বাৰাহে সম্ভৱ।

চতুৰ্থতে, লেখক— যিসকলে সাহিত্যিক পাঠ সৃষ্টি কৰে তেওঁলোকৰ দৰে তেওঁলোকৰ পঢুৱৈসকলো একো একোটা বিষয়বস্তু (subject), যি তেওঁলোকৰ যুগৰ অৱস্থা আৰু ভাবাদৰ্শগত গঠনৰ দ্বাৰা অৱস্থিত আৰু গঢ়িত।

আন এটা তাৎপৰ্যপূৰ্ণ কথা এয়ে যে ইতিহাসবাদৰ এই নতুন পদ্ধতিটোৱে সাহিত্যিক আৰু অনা-সাহিত্যিক (non-literary) পাঠৰ সমান্তৰাল পঠনৰ ধাৰণাক প্ৰতিষ্ঠা কৰে। ই ইতিহাসক পাঠৰূপে বিশ্লেষণযোগ্য বুলি বিবেচনা কৰে আৰু

বিশেষভাৱে গৃহীত (canonical) সাহিত্যিক পাঠ আৰু অন্য সাংস্কৃতিক তথ্যসমূহৰ মাজত এক আন্তঃপাঠ সম্পৰ্কৰ কথা ঘোষণা কৰে। এইখিনিতে নতুন ইতিহাসবাদে literary text, অৰ্থাৎ সাহিত্যিক পাঠৰ বিশেষাধিকাৰৰ ধাৰণাক অস্বীকাৰ কৰে। ই এনে এক অধ্যয়নৰ পোষকতা কৰে য'ত, সাহিত্যিক আৰু অনা-সাহিত্যিক পাঠত সমান গুৰুত্ব দিয়া হয়। দাৰ্শনিক লুই মণ্টোজৰ সংজ্ঞাই নতুন ইতিহাসবাদৰ এই পাৰস্পৰিক সম্বন্ধৰ কথাই দোহাৰে। তেওঁৰ মতে নতুন ইতিহাসবাদ হ'ল পাঠৰ ইতিহাসত্ব আৰু ইতিহাসৰ পাঠত্বৰ মাজৰ এক পাৰস্পৰিক সম্বন্ধৰ আলোচনা (New Historicism is a reciprocal concern with 'the Historicity of texts and Texuality of history) [১৯৮৯ ঃ ২৩], অৰ্থাৎ এওঁলোকে ইতিহাস আৰু পাঠ এই দুয়োটাৰে অন্যোন্যক্ৰিয়াৰ নতুন বিশ্লেষণ আগবঢ়ায়। ইতিহাস যিদৰে কেৱল কিছুমান ঘটনাৰে পোনপটীয়া, সহজ প্ৰতিফলন নহয়; সেইদৰে পাঠ সমাজ, পৰিৱেশ, সংস্কৃতি, ইতিহাস, ৰীতি-নীতি, আদৰ্শ আদিৰ পৰা মুক্ত এক একক অৱস্থিতি নহয়। পাঠ আৰু ইতিহাস দুয়োটাই ইটো আনটোৰ দ্বাৰা প্ৰভাৱিত আৰু প্ৰৰোচিত। সেয়ে যিকোনো এটা ঐতিহাসিক ঘটনাৰ দৰে সকলো পাঠেই বিশ্লেষণযোগ্য।

'নতুন ইতিহাসবাদ' (New Historicism) শব্দটো পোনপ্ৰথমবাৰৰ বাবে ষ্টিফেন্ গ্ৰীনব্লাটে তেখেতৰ *Genre* Vol 15 (১৯৮২) শীৰ্ষক জাৰ্নেলখনৰ পাতনিত উল্লেখ কৰে। এই চিন্তাৰ প্ৰধান গুৰি ধৰোঁতা গ্ৰীনব্লাটে নিজে অৱশ্যে তেওঁৰ সমালোচনাত্মক তত্ত্বক 'কাল্চাৰেল্ পয়েটিক্‌ছ' (Cultural poetics) বুলিহে কৈছিল। তেওঁৰ মতে নতুন ইতিহাসবাদ সেইবোৰ সামূহিক বিশ্বাস, সামাজিক দস্তুৰ আৰু সাংস্কৃতিক বাক্‌স্ৰোতক লৈ উদ্বিগ্ন, যি একো একোটা নিৰ্দিষ্ট কৰ্মক গঢ় দিয়ে। সহজ ভাষাত যিকোনো এটা সৃষ্টিকৰ্মৰ গঠনৰ সমগ্ৰ প্ৰক্ৰিয়াটোতে আৰু মূলতঃ সেই সৃষ্টিকৰ্মটোৰ সৈতে ওতপ্ৰোতভাৱে জড়িত থাকে সেই সময়ৰ ধ্যান-ধাৰণা, বিশ্বাস, মূল্যবোধ, সামাজিক-সাংস্কৃতিক অৱস্থা ইত্যাদি। সেয়ে একোটা সৃষ্টিৰ মূল্যায়নৰ সময়ত এই সম্পৰ্কবোৰ উপেক্ষা কৰা সম্ভৱ নহয়।

সাহিত্যৰ বিদ্যায়তনিক ক্ষেত্ৰখনত নতুন ইতিহাসবাদৰ জন্ম হয় মুখ্যতঃ ইতিহাসক নকৈ চোৱাৰ এক আহ্বানৰ ফলত। ইতিহাসৰ এই নতুন ধাৰণাটো পুৰণি ইতিহাসৰ ধাৰণাতকৈ ভালেখিনি পৃথক। সেই কথা ওপৰত উল্লেখও কৰা হৈছে। আশীৰ দশকত ইউৰোপীয় আৰু আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহৰ বহুতো পণ্ডিতে নতুন ইতিহাসবাদী চিন্তাৰ এই আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য নামকেইটা হ'ল— ফ্ৰেডেৰিক ক্ৰ'জ, জৰ্জ ৰাট্‌ছন, ফ্ৰেডেৰিক জেমচন, টেৰী ইগল্টন আৰু ফ্ৰেংক্ লেংটিছিয়া, কেথেৰিন গেলাগাৰ, ডি এ মিলাৰ, লুই মণ্টোজ আদি। উল্লেখযোগ্য কথা এয়ে যে নতুন ইতিহাসবাদ এটা একক মত বা আদৰ্শ নহয়। ই সাহিত্যৰ সমালোচনাতত্ত্বৰ বিভিন্ন মতাদৰ্শ আৰু দৰ্শনৰ এক সন্মিলিত চিন্তা। ই হৈছে সামাজিক, ৰাজনৈতিক আৰু ঐতিহাসিক সমালোচনামুখী এক নতুন মতাদৰ্শ— যি সংযুক্তিবাদ, উত্তৰ-সংযুক্তিবাদ, নিৰ্গঠনতন্ত্ৰবাদৰ ধাৰণা আৰু মূলতঃ ফুকোৰ ওচৰত ঋণী। তত্ত্ববিদ আৰাম্ ভিজাৰে সেয়ে হয়তো 'নতুন ইতিহাসবাদ' শব্দটো সকলো বয়বস্তু সামৰি লোৱা এক প্ৰকাণ্ড বেগৰ লগত তুলনা কৰি কৈছে যে এই শব্দটো এটা Portmanteau শব্দ। ই সাহিত্য, নৃতত্ত্ব, কলা, ইতিহাস, ভূগোল, সমাজবিদ্যা আদি কঠিন-কোমল সকলোবোৰ শৃংখলাকে সামৰি লয়। সেইফালৰ পৰা নতুন ইতিহাসবাদ এটা উত্তৰ-সংযুক্তিবাদী ধাৰণা।

নতুন ইতিহাসবাদৰ আন এটা তাৎপৰ্যপূৰ্ণ বৈশিষ্ট্য হৈছে ই সাহিত্য আৰু সংস্কৃতিৰ মাজৰ এক ওতপ্ৰোত সম্পৰ্ক প্ৰত্যক্ষ কৰে। গ্ৰীনব্লাটে এই বিষয়ে এক সুন্দৰ উক্তি দিছে— "যদি এক বিশেষ সংস্কৃতিৰ উদ্‌ঘাটনে সেই সংস্কৃতিত সৃষ্ট কোনো সাহিত্য সৃষ্টিৰ উচ্চতৰ ধীশক্তিৰ সহায়ক হয়, তেন্তে তেনে সাহিত্যৰ এক সুন্দৰ নিখুঁত গঠন সেই নিৰ্দিষ্ট সংস্কৃতি, অৰ্থাৎ যি সংস্কৃতিত সেই সাহিত্য সৃষ্টি হয় বা হৈছিল সেই সংস্কৃতিৰ উচ্চতম বুজাবুজিত সহায়ক হ'ব।" (If an exploration of a particular culture will lead to a hightened understanding of a work of literature produced within that culture, so too a careful reading of a work of literature will lead to a heightened understanding of the culture within which it was produced.) (গ্ৰীনব্লাটৰ 'Culture' শীৰ্ষক প্ৰবন্ধৰ পৰা উদ্ধৃত, প্ৰবন্ধটো *Critical Terms for Literary Study* শীৰ্ষক গ্ৰন্থখনত সন্নিৱিষ্ট।)

ষ্টিফেন গ্ৰীনব্লাটে বিশ্ববিখ্যাত নাট্যকাৰ উইলিয়াম শ্বেইক্সপীয়েৰৰ 'হেনৰী ছিৰিজ'ৰ নাটসমূহৰ উল্লেখ কৰি কৈছে যে এই নাটসমূহ ইয়াৰ সৃষ্টিৰ সময় আৰু পাৰিপাৰ্শ্বিকৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। তেওঁৰ মতে 'হেনৰী ছিৰিজ'ৰ নাটকসমূহ প্ৰকৃততে এক নিৰ্দিষ্ট মাত্ৰালৈ ৰাজকীয় ক্ষমতাৰ প্ৰকাশ— যি ক্ষমতা ঠগ-প্ৰৱঞ্চনা, ভণ্ডামি, লুণ্ঠণ, প্ৰতাৰণা বা শোষণ আধাৰিত। একে সময়তে এই নাটকবোৰত ফলছ্টাফ্ আদি আন যিকোনো এলিজাবেথৰ যুগৰ উপ-সংস্কৃতিৰ (তথাকথিত উপ-সংস্কৃতি) প্ৰতিনিধিৰ বেসুৰা আৰু ৰাষ্ট্ৰদ্ৰোহী কণ্ঠও নিঃসংকোচে অভিলেখিত হৈছিল। মুঠতে গ্ৰীনব্লাটে ফঁহিয়াই দেখুৱাইছিল কিদৰে শ্বেইক্সপীয়েৰৰ নাটকত এলিজাবেথৰ যুগৰ ৰাজকীয় ব্যৱস্থা আৰু সেই সমাজৰ তথাকথিত নিম্ন শ্ৰেণীৰ মানুহৰ জীৱনযাত্ৰাৰ সুন্দৰ আভাস ফুটি উঠিছিল।

ইতিহাসৰ পৰম্পৰাগত ধাৰণাৰ সৈতে নতুন ইতিহাসবাদীসকলৰ সহজ বিৰোধ এইখিনিতে যে প্ৰকৃতিতে কি ঘটিছিল সেই সত্য নিখুঁত আৰু নিৰপেক্ষভাৱে জনাটো; তাতোকৈ অধিক সেই কথা, সেই ঘটনাক নিৰপেক্ষ ৰূপত উপস্থাপন কৰাটো সম্ভৱপৰ হয়নে— সেই লৈ নতুনসকল সদায়েই সন্দিহান। হয়তো সেয়ে নতুন ইতিহাসবাদীসকলে বিশ্বাস নকৰে যে যিকোনো সাহিত্যিক পাঠৰ একক বা সহজে চিহ্নিত কৰিব পৰা ঐতিহাসিক পটভূমি থাকে। 'ইতিহাস'— সমগ্ৰ বিষয়টোৰেই তেওঁলোকৰ মানত এক জটিল ধাৰণা, যি ইয়াৰ লগত সামৰি লয় অনেক তুচ্ছ যেন লগা তাৎপৰ্যপূৰ্ণ কথাও। এগৰাকী উচ্চ বৰ্ণহিন্দুৰ বিশ্লেষণত 'অসমৰ মানুহ'ৰ সংজ্ঞা আৰু এজন জনগোষ্ঠীয় নৃতত্ত্ববিদৰ বিশ্লেষণত 'অসমৰ মানুহ'ৰ সংজ্ঞা কি কাৰণে বেলেগ বেলেগ হ'ব পাৰে সেয়া আমাক সুন্দৰকৈ বুজাই দিয়ে নতুন ইতিহাসবাদী চিন্তাই। এজন মানুহ, এজন লেখক তেওঁৰ সময়, সমাজ, সংস্কৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ দ্বাৰা কিদৰে পৰিচালিত বা পৰিশীলিত সেয়া বিশ্লেষণ কৰাত আমাক সহায় কৰে নতুন ইতিহাসবাদে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কাৰেঙৰ লিগিৰী আৰু সুন্দৰ কোঁৱৰৰ চৰিত্ৰটোক যদি আমি নতুন ইতিহাসবাদী ধাৰণাৰে বিশ্লেষেণ কৰিব খোজোঁ তেন্তে আমি যুকিয়াই চাব

লাগিব জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা আৰু জীৱন। জ্যোতিপ্ৰসাদৰ ব্যক্তিগত জীৱন আৰু সুন্দৰ কোঁৱৰ চৰিত্ৰটোৰ মাজত অনেক সাদৃশ্য আছে। এই সাদৃশ্যৰ কথা ড° হীৰেন গোহাঁইদেৱে তেখেতৰ 'জ্যোতিপ্ৰসাদৰ চিন্তাধাৰাৰ বিৱৰ্তন আৰু সাম্প্ৰতিক চেতনাত জ্যোতিপ্ৰসাদ' শীৰ্ষক প্ৰবন্ধটোত উল্লেখ কৰিছে। গোহাঁইদেৱে জ্যোতিপ্ৰসাদৰ আত্মীয় এজনৰ পৰা শুনা কথাৰ উদ্ধৃতি দি কৈছে যে যৌৱনত জ্যোতিপ্ৰসাদে চাহ বাগিচাৰ বনুৱা ছোৱালী এজনীক ভাল পাইছিল আৰু তাইৰ লগত বিভোৰ হৈ ঘূৰি ফুৰিছিল। পিছে বংশমৰ্যাদাত চেকা লাগে বুলি শংকিত হৈ ঘৰৰ পৰা তেওঁৰ আসক্তিক এনেদৰে দমন কৰিবলৈ ওলোৱাত জ্যোতিপ্ৰসাদ জাঙুৰ খাই উঠিল। গোহাঁইদেৱৰ কথাৰে— "তেওঁ ছোৱালীজনীক হেনো এটা ঘৰলৈ আনি তাইৰ লগত চৌৰ্কিশ ঘণ্টা থাকিবলৈ ল'লে। উপায়ন্ত হৈ জ্যোতিপ্ৰসাদৰ অভিভাৱকসকলে ছোৱালীজনীৰ পিতৃ-মাতৃৰ ওপৰত হেঁচা দিলে আৰু ছোৱালীজনীকো ভাবুকি দিয়ালে। জ্যোতিপ্ৰসাদে নিৰ্বিকাৰচিত্তে প্ৰতিৰোধ কৰিবলৈ ধৰিলে সেই সম্মিলিত আক্ৰমণ। কিন্তু তেওঁৰ ভৱিষ্যৎ এই মিলনে ধ্বংস কৰিব পাৰে বুলি শংকা কৰি বনুৱা ছোৱালীজনী নিজে এদিন কাকো নোকোৱাকৈ ক'ৰবালৈ গুচি গ'ল। জ্যোতিপ্ৰসাদৰ কাৰণে থৈ গ'ল মাথোঁ ৰাশি ৰাশি ৰঙা ফুল।" কাৰেঙৰ লিগিৰীতো সুন্দৰ কোঁৱৰলৈ শেৱালিয়ে শেষ স্মৃতিচিহ্ন হিচাপে ৰাখি থৈ গৈছিল ৰঙা ফুলৰ থোপা (পৃষ্ঠা ঃ ২০, *বিশ্বায়তন*)। এইখিনি কথা আমাৰ আলোচনাত জ্যোতিপ্ৰসাদ আৰু সুন্দৰ কোঁৱৰৰ সাদৃশ্যৰ সপক্ষে বেছ সবল যুক্তি।

নতুন ইতিহাসবাদীসকলৰ মূল যুক্তি 'যিকোনো গল্প, কবিতা, উপন্যাস বা নাটকক ইয়াৰ নাট্যকাৰ অথবা নাট্যকাৰজনৰ জীৱন, মতাদৰ্শ, তেওঁৰ সময় আৰু তেওঁৰ চৌপাশৰ পৰা পৃথক কৰি নহয়, বৰঞ্চ এই সকলোবোৰৰ আধাৰতহে বিশ্লেষণ কৰা সম্ভৱ'— এই কথাৰ সুন্দৰ উদাহৰণস্বৰূপে জ্যোতিপ্ৰসাদদেৱৰ ব্যক্তিগত জীৱন আৰু তেওঁৰ লিখনীৰ উপৰিউক্ত উল্লেখনীয় ঘটনাৰাজি বিশেষভাৱে খাপ খাই পৰা বুলিব পাৰি।

পুৰণি ইতিহাসবাদীসকল আৰু নতুন ইতিহাসবাদীসকলৰ মাজৰ এটা বিশেষ পাৰ্থক্য ইও যে নতুনসকলৰ পূৰ্বৰসকলৰ তুলনাত এক ধৰণৰ নিশ্চয়তাৰ অভাৱ। পুৰণিসকলে দৃঢ়তাৰে বিশ্বাস কৰে যে যিকোনো মানৱীয় বিষয় (human subject), যিমানেই বিচিত্ৰ অথবা বিশাল নহওক— শিল্প বা সাহিত্যই তাক প্ৰতিফলন অথবা প্ৰকাশ কৰে। এই প্ৰতিফলন বা প্ৰকাশ (reflection and expression)ৰ সহজ অৰ্থটোত নতুন ইতিহাসবাদীসকলে দৃঢ়ভাৱে বিশ্বাস কৰিব নোৱাৰে। এই দৃঢ় বিশ্বাসৰ অভাৱত তেওঁলোক সদায় সন্দিহান, সেয়ে ইতিহাসে কেৱল অতীতক বৰ্ণনা কৰে বুলি তেওঁলোকে সহজকৈ মানি ল'ব নোৱাৰে। তেওঁলোকে বিশ্বাস কৰে ই অতীত নিৰ্মাণো কৰে।

নতুন ইতিহাসবাদৰ আন এটা তাৎপৰ্যপূৰ্ণ কথা এই যে ই বিভিন্ন সাহিত্য-সংস্কৃতিৰ তত্ত্ব অথবা লিখনীৰ পৰা ইয়াৰ বিভিন্ন ধ্যান-ধাৰণা আৰু মতাদৰ্শ গ্ৰহণ কৰিছে। সেইফালৰ পৰা ই এনে এক বৈচিত্ৰ্যময়, পাণ্ডিত্যপূৰ্ণ ধাৰণা, যি সাহিত্যৰ বহুবোৰ তত্ত্ব আৰু আন লেখা কিছুমানৰ সাধাৰণ বৈশিষ্ট্যও সাঙুৰি লয়। গ্ৰীনব্লাটে তেওঁৰ *Renaissance Self-Fashioning* (১৯৮০) শীৰ্ষক গ্ৰন্থখনৰ পাতনিত তেওঁৰ সাহিত্যিক প্ৰকল্পক কাল্চাৰেল পয়েটিক্‌ছ (Cultural Poetics) নাম দিছে। গ্ৰীনব্লাটৰ কাল্চাৰেল্ পয়েটিক্‌ছে যিকোনো সাহিত্যকৰ্ম এটিৰ সৃষ্টি বা গঠনত সামাজিক আৰু সাংস্কৃতিক বুজাবুজি, আদান-প্ৰদান আৰু লেনদেন (negotiation, transaction and exchange)ৰ প্ৰভাৱ স্বীকাৰ কৰে। এইখিনিতে নতুন ইতিহাসবাদে নৃতত্ত্বৰ সংস্কৃতিৰ ধাৰণাকো সাঙুৰি লোৱা যেন অনুভৱ হয়। নৃতত্ত্ববিদ এডৱাৰ্ড বি টেইলৰৰ সংস্কৃতিৰ সংজ্ঞা হৈছে, "সমাজৰ সদস্য হিচাপে মানুহে যি জ্ঞান, বিশ্বাস, কলা-কৌশল, নীতি-শিক্ষা, আইন-কানুন, নীতি-নিয়ম আদি অভ্যাস আৰু সামৰ্থ্য আহৰণ কৰে সেই সমস্ত জটিল প্ৰক্ৰিয়াটোৱেই হৈছে সভ্যতা বা সংস্কৃতি" (Culture or civilization taken in its wide ethnographic sense, is that complex whole which includes knowledge, belief, art, morals, law, custom, and other capabilities and habits acquired by man as a member of society.) [গ্ৰীনব্লাট ঃ ১৯৯৫]। যিকোনো সাহিত্যকৰ্ম অধ্যয়নৰ ক্ষেত্ৰত গ্ৰীনব্লাটে নিজেও সংস্কৃতিৰ এই ধাৰণাক গ্ৰহণ কৰিছে।

যিকোনো পাঠত বিদ্যমান এই সাংস্কৃতিক আৰু ভাবাদৰ্শগত উপস্থানপনবোৰে প্ৰকৃততে এখন নিৰ্দিষ্ট সমাজৰ শাসন-শোষণৰ ক্ষমতাশৈলী (power stmucture)ৰ সৃষ্টি, নিৰ্ণয় আৰু প্ৰসাৰৰ উদ্দেশ্যহে সাধন কৰে। সেয়েহে সাহিত্যিক পাঠৰ এই উপস্থাপনবোৰে বাস্তৱক প্ৰতিফলন নকৰে, বৰঞ্চ এইবোৰ হৈছে কিছুমান ভাবাদৰ্শৰ সাকাৰ (concretized) ৰূপ। এটি সাহিত্যকৰ্ম প্ৰকৃততে এজন লেখকৰ কল্পনাশক্তিৰ সৃষ্টি হোৱাতকৈ সেই সাহিত্যকৰ্ম সৃষ্টিৰ সময়ৰ পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি বুলি কোৱাটোহে অধিক যুগুত। নতুন ইতিহাসবাদীসকলে এইক্ষেত্ৰত এনে কিছুমান অন্তৰ্নিহিত আদৰ্শ, মত অথবা সামাজিক-ৰাজনৈতিক প্ৰভাৱক গুৰুত্ব দিয়ে যি প্ৰভাৱ সম্বন্ধে লেখকজন সম্পূৰ্ণ অজ্ঞ।

মাৰ্ক্সবাদী দাৰ্শনিক লুই এলথুজাৰৰ ভাবাদৰ্শ (ideology)ৰ ধাৰণায়ো নতুন ইতিহাসবাদীসকলৰ চিন্তা-দৰ্শন আদিৰ ওপৰত ভালেখিনি প্ৰভাৱ পেলাইছে। এলথুজাৰৰ ভাবাদৰ্শৰ ধাৰণাই মনোবিশ্লেষণৰ জটিল প্ৰক্ৰিয়াকো সাঙুৰি লৈছে। সেই ধাৰণা মতে ভাবাদৰ্শ উপস্থাপনৰ এক অভিজাত প্ৰক্ৰিয়া যি ব্যক্তিক এক সামাজিক বিষয় (social subject) হিচাপে গঢ় দিয়াত সহায় কৰে আৰু ভাবাদৰ্শৰ দ্বাৰা প্ৰভাৱিত হৈ এক সামাজিক ব্যক্তি হিচাপে তেওঁ চৌপাশৰ সামাজিকতাৰ এখন সম্যক ছবি অন্তঃগ্ৰহণ (internalize) কৰে আৰু নিজকে তাত খাপ খুৱাই সজাই তোলে। ভাবাদৰ্শ (ideology) এনে এক বস্তু যাৰ বাবে ব্যক্তিয়ে সম্পূৰ্ণ কাল্পনিক ৰূপৰ পৃথিৱী এখন প্ৰত্যক্ষ কৰে, অথচ ই যে এক কাল্পনিক ৰূপ সেই বিষয়ে ব্যক্তিৰ কোনো ধাৰণা নাথাকে। এটা সহজ, সুন্দৰ উদাহৰণেৰে ভাবাদৰ্শৰ ধাৰণাটো ব্যাখ্যা কৰিব পাৰি। এটা সভাঘৰত সজাই থোৱা চকীবোৰ দেখি সভাৰ বাবে যোৱা প্ৰত্যেকজন ব্যক্তি অথবা চিটীবাছত পুৰুষ-মাহিলা আৰু বৃদ্ধৰ বাবে সংৰক্ষিত আসনবোৰ দেখি যাত্ৰীসকলে কোনেও নোকোৱাকৈ একোখন চকী বা নিৰ্দিষ্ট আসনত বহি লয়। এইক্ষেত্ৰত খালী চকীকেইখনে বা আসনকেইখনে যেন অদৃশ্য হাতেৰে সভাঘৰত উপস্থিত প্ৰতিজন থিয় হৈ থকা ব্যক্তিক আমন্ত্ৰণ জনায়— আহা, মোৰ কোলাত বহি লোৱা। আৰু খালী চকীবোৰৰ এই অদৃশ্য আহ্বান ক'ব নোৱৰাকৈয়ে গ্ৰহণ কৰে প্ৰতিজন ব্যক্তিয়ে। ভাবাদৰ্শ অৰ্থাৎ আইডিয়'লজীয়ে এনে এক অদৃশ্য ৰূপত এজন ব্যক্তিৰ আচৰণ, ব্যৱহাৰ-পাতি নিৰ্দিষ্ট কৰে। ব্যক্তিয়ে জন্মৰে পৰা দেখি-শুনি অহা ৰীতি-নীতি, বিশ্বাস-

**এজন মানুহ, এজন লেখক তেওঁৰ সময়, সমাজ, সংস্কৃতি আৰু পাৰিপাৰ্শ্বিকতাৰ দ্বাৰা কিদৰে পৰিচালিত বা পৰিশীলিত সেয়া বিশ্লেষণ কৰাত আমাক সহায় কৰে নতুন ইতিহাসবাদে। জ্যোতিপ্ৰসাদ আগৰৱালাদেৱৰ কাৰেঙৰ লিগিৰী আৰু সুন্দৰ কোঁৱৰৰ চৰিত্ৰটোক যদি আমি নতুন ইতিহাসবাদী ধাৰণাৰে বিশ্লেষেণ কৰিব খোজোঁ তেন্তে আমি যুকিয়াই চাব লাগিব জ্যোতিপ্ৰসাদৰ চিন্তাধাৰা আৰু জীৱন। জ্যোতিপ্ৰসাদৰ ব্যক্তিগত জীৱন আৰু সুন্দৰ কোঁৱৰ চৰিত্ৰটোৰ মাজত অনেক সাদৃশ্য আছে।**

অন্ধবিশ্বাস, সমাজ-সংস্কৃতি আদিৰ প্ৰভাৱ তেওঁৰ চিন্তাধাৰা, কৰ্মৰাজি অথবা ব্যৱহাৰ আদিত অৱশ্যেই পৰে। সেয়েহে নিজকে এগৰাকী যুক্তিবাদী, সংস্কাৰমুক্ত বুলি দাবী কৰা আধুনিক, শিক্ষিত, অসমীয়া হিন্দু নাৰীৰ বাবেও মাহেকীয়া ঋতুস্ৰাৱৰ সময়খিনিত গোসাঁইঘৰ বা মন্দিৰত প্ৰৱেশ কৰাটো ইমান সহজ নহয়। 'মাহেকীয়া চুৱা'ই যে কেৱল অসমীয়া হিন্দু নাৰীকহে অপৱিত্ৰ(?) কৰে সেই বিষয়ে পিছে এইসকল নাৰীৰ অন্তৰত কোনো প্ৰশ্নৰ উদয় নহয়। এইখিনিতেই অন্তঃকৰণেৰে গ্ৰহণ কৰা ভাবাদৰ্শই (internalization of ideology) কাম কৰে। আইডিয়'লজী, অৰ্থাৎ ভাবাদৰ্শৰ মেৰপাক এনে জটিল অথচ সংগোপন যে ব্যক্তিয়ে নিজৰ অজ্ঞাতে আঁকোৱালি লয় ভাবাদৰ্শ আৰু ইয়াৰ সৈতে সম্পৃক্ত অনেক ধাৰণা।

নতুন ইতিহাসবাদীসকল এই ভাবাদৰ্শৰ পুনৰুদ্ধাৰ (recovery of ideology)ক লৈ অধিক চিন্তিত যিহেতু তেওঁলোকে বিশ্বাস কৰে ভাৱাদৰ্শৰ সমষ্টিয়েই 'পাঠ'ৰ জন্ম দিয়ে, অৰ্থাৎ যিকোনো এক পাঠৰ সৃষ্টিত এই ভাবাদৰ্শৰ প্ৰভাৱ অনস্বীকাৰ্য। ঠিক সেইদৰে অৱশ্যে পাঠে (text)ও ভাবাদৰ্শক এক সংস্কৃতিৰ মাজেৰে আগুৱাই নিয়াত সহায় কৰে। পৰম্পৰাগত ইতিহাসবাদীসকলে ভাবাদৰ্শৰ এই ধৰণৰ সমালোচনাত্মক, তাত্ত্বিক ব্যাখ্যাক সমূলি আওকাণ কৰিছিল।

নতুন ইতিহাসবাদে যি ধৰণে পাঠ আৰু সেই পাঠ সৃষ্টিৰ ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পৰিৱেশৰ মাজত সম্পৰ্ক স্থাপন কৰে, সেইখিনিতে ই মাৰ্ক্সবাদী চিন্তাৰ কাষ চাপে। অৱশ্যে মাৰ্ক্সবাদীসকলে সাহিত্যক উপৰিসৌধ, অৰ্থাৎ অধিৰচনা (super structure)ৰ অংশ বুলি ভাবে, য'ত অৰ্থনৈতিক ভেটিটোৱেই মূল কথা। কিন্তু নতুন ইতিহাসবাদীসকলে ক্ষমতা (power)ৰ অতি সূক্ষ্ম পাৰ্থক্যগত ব্যাখ্যাৰ পোষকতা কৰে। এইখিনিতে নতুন ইতিহাসবাদ ফুকো (Foucanlt)ৰ ওচৰত ঋণী। ফৰাচী দাৰ্শনিক ফুকোৰ মতে— "কোনো ঐতিহাসিক ঘটনাৰ এটা মাত্ৰ কাৰণ থাকিব নোৱাৰে, বৰঞ্চ প্ৰত্যেকটো ঘটনা এক বিশাল অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক উপাদান কিছুমানেৰে গঠিত।" সেয়ে তেওঁ ইতিহাসবাদীসকলক তেওঁলোকে নিজেও কিদৰে ঐতিহাসিকভাৱে অৱস্থিত (historically situated) এই বিষয়ে সজাগ হ'বলৈ আহ্বান জনাইছে (পৃষ্ঠা ১৯৯৮ ঃ ২৪৩)।

ফুকোৰ বৈশিষ্ট্য এয়ে যে তেওঁ ইতিহাসক ক্ষমতা (power)ৰ গণ্ডীৰে প্ৰত্যক্ষ কৰিছিল। তেওঁৰ মতে 'ক্ষমতা অৰ্থাৎ পাৱাৰ' এনে কিছুমান জটিল শক্তিৰ সমাৰোহ, যি ঘটনা-পৰিঘটনাৰ সৃষ্টি কৰে। জুডিথ নিউটনৰ History as Usual? Feminism and New Historicism শীৰ্ষক প্ৰবন্ধত ফুকোৰ ক্ষমতা আৰু ইতিহাসৰ ধাৰণা সুন্দৰভাৱে প্ৰতিফলিত হৈছে —

> There is the notion that 'history' is best told as story of power relations and struggles, a story that is contradictory, heterogeous, fragmanted, the history is a tale of many voices and forms of power exercised by the weak and the marginal as well as the dominant and strong. (পৃষ্ঠা ঃ ১৫২ ঃ ১৯৮৯)

অৰ্থাৎ ইতিহাস হ'ল এনে এক কাহিনী যি একে সময়তে পৰস্পৰবিৰোধী, অসমসাত্ত্বিক আৰু খণ্ডিত। ই দুৰ্বল, প্ৰান্তীয় আৰু একেলগে শক্তিশালী শাসকীয় শ্ৰেণীৰ দ্বাৰা অনুশীলন কৰা বিভিন্ন কণ্ঠস্বৰ আৰু ক্ষমতাৰ বিভিন্ন ৰূপৰ কাহিনী।

নতুন ইতিহাসবাদে সাংস্কৃতিক নৃতত্ত্ব, নৃতত্ত্ববিদ ক্লিফ'ৰ্ড গিটছ্ আৰু তেওঁৰ থিক্ ডেছ্‌ক্ৰিপ্‌শ্যন্ (thick description)ৰ ধাৰণাৰ পৰাও অনেক চিন্তা আদৰি লৈছে। এই থিক্ ডেছ্‌ক্ৰিপ্‌শ্যন্, অৰ্থাৎ গভীৰ/ঘনিষ্ঠ বৰ্ণনা হৈছে যিকোনো এক সামাজিক সৃষ্টিৰ গভীৰ বিশ্লেষণ, যি বিশ্লেষণে সেই সৃষ্টিকৰ্মৰ সৈতে জড়িত সকলো মানুহ, বিশ্বাস, কলা-কৌশল, ৰীতি-নীতি আদিৰ অৰ্থ পুনৰুদ্ধাৰ কৰে আৰু পৰস্পৰৰ মাজৰ সম্পৰ্ক বিচাৰ কৰে। বাহ্যিক দৃষ্টিত উপেক্ষণীয় তুচ্ছ ঘটনা, সংকেত অথবা প্ৰতীক আদিৰ প্ৰতিও গভীৰ বিশ্লেষণাত্মক দৃষ্টিয়েই 'থিক্ ডেছ্‌ক্ৰিপ্‌শ্যন্'। গিটছ্‌ৰ এই থিক্ ডেছ্‌ক্ৰিপ্‌শ্যন্‌ৰ প্ৰভাৱতে নতুন ইতিহাসবাদীসকলে সজোৰে প্ৰতিপন্ন কৰিব খোজে যে সাহিত্য ইতিহাসৰ পৰা পৃথক নহয়। আৰু যিকোনো এক সৃষ্টিশীল কৰ্মই ইয়াৰ স্ৰষ্টা আৰু শ্ৰোতা-দৰ্শকৰ পৰা বিচ্ছিন্ন নহয়।

নতুন ইতিহাসবাদে যিহেতু বিভিন্ন সমালোচনা তত্ত্বৰ বেলেগ বেলেগ চিন্তা, দৰ্শন আদি সামৰি হৈছে, সেয়ে ইয়াৰ ভিন্নজন সমৰ্থকৰ মত-চিন্তা আদিৰ বিৰোধ থকাই স্বাভাৱিক। তথাপি প্ৰায় সকলো সমৰ্থকৰ ৰচনাৰ কিছুমান সাধাৰণ বৈশিষ্ট্য যুকিয়াই ল'ব পাৰি, যিবোৰ নতুন ইতিহাসবাদী চিন্তাৰ গঠনত ব্যৱহৃত প্ৰায় সকলো চিন্তা-প্ৰক্ৰিয়াতে প্ৰাপ্ত। নতুন ইতিহাসবাদৰ প্ৰধান কথা এয়ে যে সাহিত্য যিহেতু সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক কোনো প্ৰভাৱৰ পৰা মুক্ত নহয়, সেয়ে ই চিৰযুগমীয়া শৈল্পিক মূল্যৰ দাবীদাৰ নহয়। সেয়ে এক সাহিত্যিক পাঠ সদায় নিৰ্দিষ্ট সময়, পৰিস্থিতি আৰু পৰিৱেশৰ দ্বাৰা নিৰ্দিষ্ট আৰু পৰিচিত। দ্বিতীয়তে, নতুন ইতিহাসবাদে বেলেগ বেলেগ পাঠৰ মাজৰ বিন্যাস আৰু দ্বিভাজন (hierarchies and dichotomies) অস্বীকাৰ কৰে। উচ্চ কলা, ধ্ৰুপদী কলা-সংস্কৃতি আৰু জনসংস্কৃতি, বিশেষভাৱে গৃহীত আৰু অগৃহীত (Canonical and non-canonical) লেখা, তথ্য আৰু কল্পনাশ্ৰয়ী কাহিনী— একোৰে মাজত উচ্চ-তুচ্ছ, গভীৰ-তৰল, ভাল-বেয়া আদি বিভাজন নতুন ইতিহাসবাদীসকলে স্বীকাৰ নকৰে। তেওঁলোকৰ মতে

সাহিত্যিক আৰু অনা-সাহিত্যিক পাঠৰ মাজৰ সীমা এক অমূলক কথা।

অলংকাৰ (rhetoric) এই নতুন ধৰণৰ ইতিহাসবাদৰ এটা উল্লেখনীয় বৈশিষ্ট্য। বাগাড়ম্বৰপূৰ্ণ, অলংকাৰপূৰ্ণ কৌশল আৰু নীতিৰ প্ৰতি মনোযোগেৰে বিশাল সাংস্কৃতিক ক্ষেত্ৰখনৰ পদ্ধতিগত অধ্যয়নত নতুন ইতিহাসবাদে সদায় গুৰুত্ব দিয়ে।

সাংস্কৃতিক বুৰঞ্জী বিশ্লেষণ আৰু ব্যাখ্যাৰ বাবে কিছুমান বিমূৰ্ত ধাৰণাতকৈ ক্ষমতাৰ পাৰস্পৰিক সম্পৰ্ক (power-relationship)হে প্ৰাথমিক কথা বুলি নতুন ইতিহাসবাদীসকলে বিশ্বাস কৰে। ইয়েই অন্য কিছুমান বিষয়ো ইয়াৰ পৰিসৰত সামৰি লোৱাৰ ইংগিত দিয়ে। পিতৃতান্ত্ৰিক কৰ্তৃত্ব আৰু ইয়াৰ ন্যায্যতা-বৈধতা, আধুনিক জাতীয় ৰাষ্ট্ৰ গঠনত সংস্কৃতিৰ ভূমিকা আদি বিষয়ো এই নতুন চিন্তাই সামৰি লয়।

মাৰ্ক্সবাদী দাৰ্শনিক ৰেইমণ্ড উইলিয়াম আৰু তেওঁৰ 'সাংস্কৃতিক বস্তুবাদ'ৰ ধাৰণায়ো নতুন ইতিহাসবাদী চিন্তাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ বিস্তাৰ কৰিছে। 'সাংস্কৃতিক বস্তুবাদ'ৰ সংস্কৃতিৰ ধাৰণা কেৱল তথাকথিত 'উচ্চ সংস্কৃতি'ৰ (high culture) মাজতে আৱদ্ধ নহয়। সংস্কৃতি বুলিলে ই সাঙুৰি লয় দূৰদৰ্শন, জনপ্ৰিয় সংগীত আদি মানুহৰ চিন্তা, কৰ্ম আৰু অৱসৰ বিনোদনৰ সৈতে জড়িত সকলোবোৰ কথা। বাস্তৱ পৃথিৱীখনত জীয়াই থাকোঁতে, ইয়াৰ বিভিন্ন ঘটনা-পৰিঘটনাৰ প্ৰতিক্ৰিয়াস্বৰূপে যিবোৰ মূল্যবোধৰ জন্ম হয় আৰু যি সততে পৰিৱৰ্তনশীলো সেয়াই সহজ অৰ্থত সাংস্কৃতিক বস্তুবাদ। ই এনে এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰ পোষকতা কৰে যি সংস্কৃতিক কিছুমান পৃথক কলাসন্মত কীৰ্তিস্তম্ভৰ সমষ্টি বোলাতকৈ ঐতিহাসিকভাৱে অৱস্থিত চিন্তা-ধাৰণা, সামাজিক সম্পৰ্ক, ক্ষমতাৰ প্ৰভাৱ আদিৰ বস্তুগত ৰূপান্তৰ বুলিলে ক'ব খোজে। সাংস্কৃতিক বস্তুবাদে এটা পাঠৰ ঐতিহাসিক প্ৰসংগ আৰু ইয়াৰ ৰাজনৈতিক আভাস উদ্‌ঘাটন কৰে আৰু ইয়াৰ নিকট, গভীৰ পাঠগত বিশ্লেষণৰ দ্বাৰা নিয়ন্ত্ৰিত আধিপত্যমূলক অৱস্থানো লক্ষ্য কৰে।

সাহিত্যতত্ত্ব আৰু দৰ্শনৰ অনেক ধাৰণাক নতুন ইতিহাসবাদে আঁকোৱালি লোৱাৰ লগে লগে অৱশ্যে এই কথাও কোৱা উচিত যে বহুতো সাহিত্যিক আৰু সমালোচনা তত্ত্বও এই নতুন চিন্তাৰ দ্বাৰা বাৰুকৈয়ে প্ৰভাৱিত হৈছে। ভাবাদৰ্শগত আৰু সাংস্কৃতিক নিৰ্মাণত পুৰুষসুলভ ক্ষমতা গঠনৰ ভূমিকাৰ ওপৰত জোৰ দি বহু নাৰীবাদী সমালোচকে এই নতুন ইতিহাসবাদী ধাৰণাক নিজৰ চিন্তাধাৰাৰ সৈতে মিলাই ল'ব খুজিছে।

সেই দিশৰ পৰা নতুন ইতিহাসবাদী চিন্তা সাহিত্য আৰু সমালোচনা তত্ত্বৰ ক্ষেত্ৰখনত বেছ প্ৰভাৱশালী আৰু গুৰুত্বপূৰ্ণ বিষয়। এফালে ই যেনেকৈ বিভিন্ন ন-পুৰণি সমালোচনা পদ্ধতি আৰু তত্ত্বৰ বহু মতাদৰ্শ বা বৈশিষ্ট্য সাঙুৰি লৈছে, আনফালে এই চিন্তাৰ দ্বাৰাও বহু আধুনিক তত্ত্ব প্ৰভাৱান্বিত হৈছে। হয়তো সেইবাবেই নতুন ইতিহাসবাদী চিন্তা বৰ্তমানেও পৰিত্যক্ত হোৱা নাই অথবা এই চিন্তাৰ মতাদৰ্শ অতীত হৈ যোৱা নাই। যিকোনো সৃষ্টিৰ নিৰপেক্ষ আৰু সফল মূল্যায়নৰ বাবে নতুন ইতিহাসবাদৰ প্ৰাসংগিকতা সদায়েই থাকিব।■

**প্ৰসংগ পুথি ঃ**

(১) গোহাঁই, হীৰেন ঃ *উত্তৰণৰ সাধনা* ঃ লয়াৰ্ছ বুক ষ্টল, ১৯৯৩
(২) গোহাঁই, হীৰেন ঃ *The New Millennium Pronouncing Anglo- Assamese Dictionary*, Banalata, 2002
(৩) বৰমুদৈ, আনন্দ ঃ *সাহিত্যত মতবাদ*। আদৰণী সমিতি, অসম সাহিত্য সভা, ডিব্ৰুগড়, ২০০১
(৪) Abrams, M. H. *A Glossary of Literary Terms*. Bangal Prism Books, 1993
(৫) Althusser, Louis. 'Ideology and the State'. in *Modern Literary Theory : A Reader* (ed) Philip Rice and Pattricia Waugh (trans) B, Brewster. London : Edward Arnold. 1992 (PP.54-62)
(৬) Barry, Peter. *Beginning Theory: An Introduction to Literary and Cultural Theory*. Manchester Manchester University Press, 2002
(৭) Blamires, Harry. *A History of Literary Criticism* . New Delhi : Macmillan India Ltd, 2000
(৮) Eagleten, Terry. *Literary Theory : An Introduction*, New Delhi : Maya Publishers, 2000
(৯) Eagleten, Terry. *Marxism and Literary Critieism*, London : Routledge Classies, 2002
(১০) Foucault, M. *Power/ Knowledge*(ed). Colin Gordon (trans) Colin Gordon, Leo. Rarshall, John Nepham, Kate Soper, Hervester : Hervester Press, 1980
(১১) Foucault, M. *Politics, Philosophy and Culture* (Trans) Alan Sheridan et al, London : Routledge, 1990
(১২) Geertz, Clifford. *The Interpretation of Culture : Selected Essays* , New York, Basic Books, 1973
(১৩) Greenblatt, Stephen. *Renaissance Self-Fashioning*, Chicago : Chicago University Press, 1980
(১৪) Greenblatt, Stephen. 'Culture' in *Critical Terms for Literary Study* (ed) Frank Lentricchia and Thomas MCD aughlia. Chicago : University of Chicago Press, 1995. (PP 225-232)
(১৫) Montrose, Louis A. 'Professing the Renaissance : The Poetic and Politics of Culture' in *The New Historicism* (ed) Aram H. Veesor, London : Routledge, 1989. PP 15-36
(১৬) Murfin, R and Supriya M. Ray. *The Bedford Glossary of Crifieal and Literary Terms* Boston : Bedford Books, 1998
(১৭) Newton, Judith L. 'History as Usual? Ferninism and the New Historicism' in *The New Historicist* (ed) Aram H. Vceser, London : Routledge, 1989. (PP 152-167)
(১৮) Panja, Sharmistha (ed). *Critical Theory : Textual Application*, Delhi : Worldview, 2002
(১৯) Ryan, Michael. *Literary Theory : A Practical Introduction*, Oxford : Blackwell Publications, 2002.
(২০) Veeser, Aram H. (ed). *The New Historicism*, London : Routledge, 1989